## বিনোদন



ৰীমা দাসৰ ছবি

# 'ভিলেজ ৰক ষ্টাৰ্ছ' কাঁ চলচ্চিত্ৰ মহোৎসৱলৈ

এটি স্বপ্নৰ পিচত বিচৰণ কৰি ফুৰে ধুনুৰে। তাই বাস কৰা সমাজখনত জীণ নোযোৱা এটি সপোন। তাই নাজানে যিখন সমাজত তাই সেই আলফুলিয়া সপোনটিক লৈ খেলা কৰে, তাত মানৱতাৰ সংজ্ঞা সলনি হৈ যায় ছোৱালী এগৰাকী পুষ্পিতা হোৱাৰ লগে লগে। একে লগৰ ল'ৰাবোৰৰ সৈতে ধুমুহাৰ গতিৰে বাধাহীনভাৱে আগবাঢ়ি যোৱা ছোৱালী এজনীৰ জীৱন হঠাতে এদিন স্তব্ধ হৈ পৰে। সমাজৰ অলিখিত হাজাৰবোৰ নীতি-নিয়মে এগৰাকী নাৰীৰ দুৰন্ত স্বপ্নবোৰক ধীৰে ধীৰে কোঙা কৰি পেলায়। এই ছবি প্ৰতিখন পুৰুষতান্ত্ৰিক সমাজৰ এক প্ৰাত্যহিকতাৰ ছবি। কিন্তু এনে ছবিৰ সৈতে অপৰিচিত ধুনুৰে এক সাতোৰঙী স্বপ্নময়তাৰ মাজেৰে জীৱনটোক চাবলৈ প্ৰয়াস কৰে। তাইৰ এই স্বপ্নময়তাক সাকাৰ ৰূপ দিবলৈ তাইক প্ৰয়োজন এখন গীটাৰৰ। তাই সপোন দেখে– ইয়াৰ জৰিয়তে তাই গাঁৱৰ সমনীয়াবোৰক লৈ গঢ়ি তুলিব এটি মিউজিক বেণ্ড—' ভিলেজ ৰক ষ্টাৰ্ছ।'

নিজৰ জীৱনৰ এৰা-বোটলাবোৰক লৈয়েই যেন কাহিনীকাৰ-পৰিচালক-প্ৰযোজক ৰীমা দাসে গাঁথি উলিয়াইছে ভিলেজ ৰক ষ্টাৰ্ছৰ কাহিনীভাগ। এক সহজ-সৰল গ্ৰাম্য পৰিৱেশৰ পৰা মুম্বাইৰ দৰে জনবহুল মহানগৰীত থিতাপি লোৱা ৰীমা দাসৰ স্বপ্নত চাগে' সঘনে আহ-যাহ কৰিছিল অভ্যস্তগ্ৰাম্য জীৱনৰ শৈশৱ-কৈশোৰৰ মোহময় দিনবোৰৰ কথা। এটি সাক্ষাৎকাৰত প্ৰসংগক্ৰমে তেওঁ উল্লেখ কৰিছিল যে, বাধাহীন আনন্দৰ জোৱাৰত উটি-ভাহি ফুৰা গাঁৱৰ সেই শিশুবোৰেই হ'ল তেখেতৰ দৃষ্টিত প্ৰকৃত 'ৰক ষ্টাৰ'। ছুটি ছবি 'প্ৰথা'ৰে নিজৰ প্ৰতিভাৰ অনন্য স্বাক্ষৰ বহন কৰা ৰীমা দাসৰ প্ৰথমখন কাহিনী চিত্ৰ আছিল— 'অন্তৰ্দৃষ্টি'-মেন



উইথ দ্য বাইনকুলাৰ। মুম্বাইৰ কোলাহলপূৰ্ণ জীৱনে চাগে' পৰিচালকক নষ্টালজিক কৰি তুলিছিল, কিয়নো মন গহনত প্ৰতিপালিত হৈছিল গাঁৱৰ এক সম্পূৰ্ণ বিপৰীত ছবি, য'ত আছিল মাথোঁ এক সৌম্যতা, প্ৰশান্তিময় নিৰ্জনতা তথা মৌনতা। 'অন্তৰ্দৃষ্টি'ত সেয়েহে মৌনতা যেন হৈ আছিল এক কেন্দ্ৰীয় চৰিত্ৰ, ছবিখনৰ আৱহ সংগীত। মুম্বাই ফিল্ম ফেষ্টিভেল, টালিন ব্লেকনাইট ফিল্ম ফেষ্টিভেলত প্ৰদৰ্শিত হোৱাৰ পিচত ৰীমা দাসৰ ছবি 'অন্তৰ্দৃষ্টি'-মেন. উইথ দ্য বাইনকুলাৰ' পোনে পোনে আমন্ত্ৰিত হৈছিল কাঁ চলচ্চিত্ৰ মহোৎসৱলৈ। এয়া অসম আৰু অসমবাসীৰ বাবে নিঃসন্দেহে এক গৌৰৱৰ বিষয়।

ৰীমা দাসৰ 'অন্তৰ্দৃষ্টি',-মেন উইথ দ্য বাইনকুলাৰ'ৰে আৰম্ভ কৰা গৌৰৱময় যাত্ৰা এক নিৰৱচ্ছিন্নতাৰ মাজেৰে যেন প্ৰবাহিত হ'বলৈ আৰম্ভ কৰিছে। প্ৰথমখন ছবি নিৰ্মাণৰ সময়তে তেওঁ গাঁৱৰ শিশুবোৰৰ জীৱনৰ সৈতে সম্পৃক্ত হৈ পৰিছিল। সিহঁতৰ উচ্ছ্বাসপূৰ্ণ অভিব্যক্তি, প্ৰাণচঞ্চলতাই তেখেতক প্ৰেৰিত কৰিছিল 'ভিলেজ ৰক ষ্টাৰ্ছ'ৰ জুমুঠি প্ৰস্তুত কৰিবলৈ। তিনিটি বছৰৰ এক নিৰলস প্ৰয়াসৰ ফল আছিল এই ছবি। অতি সীমিত বাজেট, সীমিত কাৰিকৰী সহযোগীৰেও যে এখন অতি উন্নত মানৰ ছবি নিৰ্মাণ কৰি উলিয়াব পাৰি, তাৰ এক নিদৰ্শন হৈ ৰ'ব ৰীমা দাসৰ 'ভিলেজ ৰক ষ্টাৰ্ছ'।

হংকং ইণ্টাৰনেচনেল ছবি মহোৎসৱে অনুষ্ঠিত কৰা 'হংকং-এছিয়া ফিল্ম ফাইনেন্সিং ফ'ৰাম'ত দুটিকৈ পুৰস্কাৰেৰে সন্মানিত হৈছে 'ভিলেজ ৰক ষ্টাৰ্ছ'। তাতোকৈ আনন্দৰ বিষয় এই যে, পুনৰ কাঁ চলচ্চিত্ৰ মহোৎসৱত




অফিচিয়েল এণ্ট্ৰী লাভ কৰিছে ৰীমা দাসৰ এই ছবিয়ে। উপৰ্যুপৰি দুবাৰকৈ নিজৰ প্ৰথম দুখন ছবিৰেই কাঁ চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হৈ ৰীমা দাসে অসম তথা ভাৰতৰ ছবিজগতত নিজৰ সবল উপস্থিতি ঘোষণা কৰিছে। ৰীমা দাসে সফলতাৰ সকলো সীমা অতিক্ৰমি আমাক সকলোকে গৌৰৱান্বিত কৰক; তাৰ বাবে আমাৰ তৰফৰ পৰা শুভ কামনা থাকিল।■

জিতুমণি পাঠক